**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। চৰকাৰৰ উন্নয়নমূলক আঁচনিৰ ৰূপায়ণৰ বাবে হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া অহা ১৫ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ।

২। চৰকাৰী কৰ্মচাৰীসকলে লাভ কৰি থকা দৰমহা নিৰিখৰ সামগ্ৰিক পুনৰীক্ষণৰ বাবে ৰাজ্যৰ বিত্ত বিভাগৰ নিৰ্দেশ জাৰি।

৩। ৰাজ্যত শীঘ্ৰেই ৪ হাজাৰ ৫০০টা শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি প্ৰাথমিক শিক্ষা সঞ্চালকৰ প্ৰকাশ।

৪। শিশুৰ বৌদ্ধিক উত্তৰণ তথা প্ৰতিভা বিকাশৰ লক্ষ্যৰে অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আজিৰে পৰা গুৱাহাটী শিশু মহোৎসৱ। *আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত শৃংখলাৰ তৃতীয়খন টেষ্ট আজি ল'ৰ্ডছত আৰম্ভ।

oooooo

ৰাজ্য চৰকাৰৰ উন্নয়নমূলক আঁচনিৰ ৰূপায়ণ শীঘ্ৰে আৰম্ভ কৰিব পৰাকৈ হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া অহা ১৫ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। চিৰাং জিলাত কালি বিভিন্ন জনকল্যাণমূলক আঁচনিৰ অগ্ৰগতিৰ বুজ লৈ মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে। তেওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশ লৈ তৃতীয় পৰ্যায়ৰ অৰুণোদয়, মুখ্যমন্ত্ৰীৰ আত্ম নিৰ্ভৰ অসম অভিযান, মহিলা উদ্যমিতা অভিযান আৰু ৰেচন কাৰ্ড বিতৰণৰ সফল ৰূপায়ণৰ বাবে জিলা প্ৰশাসনৰ প্ৰস্তুতিৰ বুজ লয়। এই আঁচনিসমূহ ৰূপায়ণত যাতে কোনো যোগ্য হিতাধিকাৰী বাদ পৰি নাযায়, তাৰবাবে উচিত ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। তেওঁ কয়, যে চিৰাঙত বিগত সময়ছোৱাত ৩০ হাজাৰ লোকক অৰুণোদয় আঁচনিৰ জৰিয়তে সামৰি লোৱা হৈছে আৰু তৃতীয় পৰ্যায়ত ৬০ হাজাৰ হিতাধিকাৰীক এই সুবিধা প্ৰদান কৰা হ'ব। একেদৰে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে জিলাখনৰ নাৰী সমাজৰ সৱলীকৰণ নিশ্চিত কৰিবলৈ তেওঁ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে।

**বাইট (চি এম)**

জিলাখনৰ ৰেচন কাৰ্ড বিতৰণ প্ৰক্ৰিয়াৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে চিদলী আৰু বিজনী সমষ্টিৰ ৮ হাজাৰ হিতাধিকাৰীক চিনাক্ত কৰি যাৱতীয় পদক্ষেপ ল'বলৈ আয়ুক্তক নিৰ্দেশ দিয়ে। ইপিনে, চম্পা নৈৰ দুয়োপাৰে বসবাস কৰা লোকসকলৰ সুবিধাৰ্থে শীঘ্ৰেই এই নৈৰ ওপৰত চাৰিখন দলং নিৰ্মাণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। তদুপৰি অসম মালা আঁচনিৰ অধীনত জিলাখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ পথৰ উন্নয়ন কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে।

oooooo

ৰাজ্যৰ বিত্ত বিভাগে চৰকাৰী কৰ্মচাৰীসকলে লাভ কৰি থকা দৰমহা নিৰিখৰ সামগ্ৰিক পুনৰীক্ষণৰ নিৰ্দেশ জাৰি কৰিছে। ইয়াৰ বাবে প্ৰতিখন জিলাত একোখনকৈ পাঁচজনীয়া সমিতি গঠন কৰা হৈছে। পদোন্নতি, পদৰ উন্নীতকৰণ, এম এ চি পি, দৰমহা সংশোধনীকে ধৰি বিভিন্ন ক্ষেত্ৰত কৰ্মচাৰীসকলৰ দৰমহা নিৰিখ সংশোধনীৰ প্ৰয়োজন হয় আৰু এইক্ষেত্ৰত হোৱা ত্ৰুটিৰ বাবে কৰ্মচাৰীয়ে অতিৰিক্ত ধন আদায় কৰাটো বন্ধ কৰাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। বিভাগীয় মুৰব্বী আৰু জিলা কাৰ্যালয়ৰ জিম্মাত ছাৰ্ভিচ বুক থকা সকলো অৰাজপত্ৰিত বিষয়া-কৰ্মচাৰীক এই পুনৰীক্ষণে সামৰি ল'ব। পুনৰীক্ষণত অনিয়ম ধৰা পৰিলে তাৎক্ষণিকভাৱে শুধৰণি কৰিবলৈ সংশ্লিষ্ট ডি ডি অ'ক অৱগত কৰোৱা হ'ব। শুধৰণি কৰা তথ্য আই এফ এম আই এছ /ফিনেনেম পৰ্টেলত আপলোড কৰা হ'ব। সমিতিৰ সিদ্ধান্তক লৈ ওজৰ-আপত্তি থাকিলে সংশ্লিষ্ট ডি ডি অ'ই ১৫ দিনৰ ভিতৰত আপত্তি দৰ্শাব পাৰিব। প্ৰতি ১৫ দিনৰ মূৰত সমিতিৰ বৈঠক বহিব আৰু অৱসৰ গ্ৰহণ কৰিব লগীয়া কৰ্মচাৰীসকলৰ অৱসৰলৈ কমেও ৩ বছৰ থাকোতে এই পুনৰীক্ষণ কৰা হ'ব।

oooooo

ৰাজ্যত অতিশীঘ্ৰেই ৪ হাজাৰ ৫০০টা শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে কালি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। প্ৰাথমিক বিদ্যালয়ত ৫ হাজাৰ ৫৫০টা পদ পূৰণৰ বাবে নথি-পত্ৰৰ পৰীক্ষণ চলি থকাৰ সময়তে শিক্ষা সঞ্চালকগৰাকীয়ে এই কথা জানিবলৈ দিয়ে। উল্লেখযোগ্য যে নিম্ন প্ৰাথমিকত ৩ হাজাৰ ৮০০টা আৰু উচ্চ প্ৰাথমিকত এহেজাৰ ৭৫০টা সহকাৰী শিক্ষক পদত নিযুক্তিৰ বাবে ২০২৩ চনৰ ২৬ ডিচেম্বৰত বিজ্ঞাপন প্ৰকাশ হৈছিল। প্ৰাথমিক পৰ্যায়ৰ দুটা স্তৰত নিযুক্তিৰ বাবে প্ৰাৰ্থীসকলৰ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণৰ কাম খানাপাৰাৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ অতিথিশালাত আজিও অব্যাহত থাকিব। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণৰ সময়ত যিসকল প্ৰাৰ্থীয়ে উপস্থিত থাকিব পৰা নাছিল তেওঁলোকক এইসমূহ পৰীক্ষণৰ বাবে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে পুনৰ সুযোগ দিছে। বিশেষকৈ ভূমিস্খলনৰ বাবে যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন হৈ থকাৰ ফলত বৰাক উপত্যকাৰ প্ৰাৰ্থীসকল নথি পৰীক্ষণৰ সময়ত উপস্থিত থাকিব পৰা নাছিল, এই প্ৰাৰ্থীসকলেও কাইলৈ আৰু পৰহিলৈ পৰীক্ষণ কৰিব পাৰিব। যোৱা ২০ মাৰ্চৰ পৰা ১১ এপ্ৰিললৈ নথি পৰীক্ষণত উপস্থিত হ'ব নোৱাৰা প্ৰাৰ্থীসকলে অহা ১৪ জুলাইত নথি পৰীক্ষণ কৰিব পাৰিব।

oooooo

২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাজ্যত আয়কৰ ৰিটাৰ্ণ দাখিল কৰা লোকৰ সংখ্যা ৮ লাখ ৯৯ হাজাৰ ২৬৩ লৈ বৃদ্ধি পাইছে। আয়কৰ বিভাগে শেহতীয়াকৈ এই তথ্য দাখিল কৰে। এই অনুসৰি পূৰ্বৰ বিত্তীয় বৰ্ষৰ তুলনাত ৰাজ্যত আয়কৰ ৰিটাৰ্ণ দাখিল কৰা লোকৰ সংখ্যা বৃদ্ধি পাইছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত ৰাজ্যৰ ৮ লাখ ১৬ হাজাৰ ১৩৭ গৰাকী লোকে আয়কৰ ৰিটাৰ্ণ দাখিল কৰিছিল। চলিত বিত্তীয় বৰ্ষত ৰাজ্যখনত আয়কৰ ৰিটাৰ্ণ দাখিল কৰা লোকৰ সংখ্যাই ১০ লাখ অতিক্ৰম কৰিব বুলি বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ২০২৩-২৪ বৰ্ষত অসমৰ পৰা কেন্দ্ৰীয় চৰকাৰে ৭ হাজাৰ ৫১০ কোটি টকাৰো অধিক আয়কৰ সংগ্ৰহ কৰিছিল আৰু বিগত বিত্তীয় বৰ্ষত এই সংগ্ৰহ ১০ শতাংশ বৃদ্ধি পাইছে বুলি বিত্ত মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooo

ৰাজ্য চৰকাৰে শিক্ষানুষ্ঠানৰ বাবে অচিৰেই এখন নতুন প্ৰাদেশিকীকৰণ আইনৰ ব্যৱস্থা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকাশ কৰে। শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ আইনখন একাধিকবাৰ সংশোধন কৰাৰ পাছতো ৰাজ্যত প্ৰাদেশিকীকৰণৰ সমস্যাটো সমাধান হোৱা নাই। একাংশ যোগ্য শিক্ষানুষ্ঠান

আইনখনৰ আওঁতাৰ বাহিৰত ৰৈ যোৱা হেতুকে নতুন আইনখনৰ বিবেচনা কৰা হৈছে। অহা অক্টোবৰৰ মাহত বিধানসভাৰ মজিয়াত এই নতুন আইনখন উত্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে। শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ সময়ত নিৰ্দিষ্ট আওঁতাৰ বাহিৰত ৰৈ যোৱা একাংশই টিউটৰ হিচাপে নিয়োজিত হৈ আছে যদিও তেওঁলোক শিক্ষকৰ মৰ্যাদা প্ৰাপ্তিৰ পৰা বঞ্চিত হৈ থকাৰ লগতে প্ৰাপ্য দৰমহাও লাভ কৰা নাই। মুখ্যমন্ত্ৰীয়ে কালি সদৰি কৰা মতে যিসকল টিউটৰৰ যোগ্যতা আছে তেওঁলোকক চৰকাৰে শিক্ষকৰ মৰ্যাদা দিয়াৰ কথা বিবেচনা কৰিছে।

০০০০০০

শিশুৰ বৌদ্ধিক উত্তৰণ তথা প্ৰতিভা বিকাশৰ লক্ষ্যৰে অসম প্ৰকাশন পৰিষদে প্ৰথমবাৰৰ বাবে আজিৰ পৰা অহা ২০ জুলাইলৈ গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত গুৱাহাটী শিশু মহোৎসৱৰ আয়োজন কৰিছে। এই মহোৎসৱত শিশু গ্ৰন্থমেলা, সাংস্কৃতিক প্ৰতিযোগিতাকে ধৰি কেইবাটাও কাৰ্যসূচী থাকিব। এই উপলক্ষে অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত অসম প্ৰকাশন পৰিষদে কালি এখন সংবাদ মেলৰ আয়োজন কৰে। আজি বিয়লি ৩ বজাত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে এই শিশু মহোৎসৱ উদ্বোধন কৰিব বুলি পৰিষদৰ সচিব প্ৰমোদ কলিতাই প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট শিশু সাহিত্যিক শান্তনু তামুলী আৰু পশ্চিমবংগৰ বিশিষ্ট লেখক সিজাৰ বাগচি সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। শিশু মহোৎসৱৰ গ্ৰন্থমেলাত ইতিমধ্যে ৩০টা গ্ৰন্থ প্ৰতিষ্ঠানে তেওঁলোকৰ শিশু সাহিত্য সম্ভাৰ লৈ অংশগ্ৰহণ নিশ্চিত কৰিছে বুলি সচিব শ্ৰীকলিতাই অৱগত কৰে। উল্লেখযোগ্য যে গুৱাহাটী শিশু মহোৎসৱৰ বিশেষ আকৰ্ষণ হিচাপে প্ৰতিদিনে বিয়লি ৪ বজাত শিশু চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। ৰাছিয়াৰ ছবি **ক্ৰ'মে প্ৰভিনো,** আৰ্মেনিয়াৰ ছবি **দ্যা ছং অৱ ফ্লাইং লিভচ্**কে ধৰি কেইবাখনো দেশী-বিদেশী শিশু চলচ্চিত্ৰ এই মহোৎসৱত প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

গোলাঘাট জিলাৰ বান পৰিস্থিতি জটিল হৈ আছে। ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫ টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ এলেকা বানৰ কবলত পৰিছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ মুকলি কৰি প্ৰশাসনে বান পীড়িতলৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাত ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানৰ কবলত পৰাৰ বিপৰীতে খুমতাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে। কালি বোকাখাত আৰু সৰুপথাৰ ৰাজহ চক্ৰৰ দুগৰাকী লোকৰ বানত মৃত্যু হয়।

মৰঙিত ধনশিৰি নৈৰ বাঢ়নি পানীয়ে এখন কাঠৰ দলং উটুৱাই নিয়ে। ৩ নম্বৰ ভোলাগুৰি আৰু ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ  সাৰৰ গাওঁ সংযোগী এই দলংখন উটুৱাই নিয়াত ভোলাগুৰি অঞ্চলত বহু লোক বানত আৱদ্ধ হৈ পৰিছে। কৃষিমন্ত্ৰী অতুল বৰাই কালি জিলাখনৰ কেইবাটাও বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ বুজ লয়। তেওঁ জিলাখনৰ আয়ুক্ত তথা সংশ্লিষ্ট বিভাগসমূহক যাৱতীয় নিৰ্দেশ দিয়ে। বান পীড়িতসকলক অত্যাৱশ্যকীয় সামগ্ৰী যোগানৰ লগতে সকলোধৰণৰ সহায়-সাহায্য আগবঢ়োৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে বানত মৃত্যু হোৱা পলাশগুৰিৰ যুৱক সুভাষ ওৰাঙৰ পৰিয়ালক সাক্ষাৎ কৰি চাৰি লাখ টকাৰ আৰ্থিক সাহায্যৰ চৰকাৰী অনুমোদিত পত্ৰখন পৰিয়ালটোক প্ৰদান কৰে।

জিলাখনত বান পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা হিৰণ্য গগৈ –

বাইট

ইপিনে, কিছুদিন ধৰি হোৱা ধাৰাসাৰ বৰষুণৰ ফলত হোজাই জিলাত বান পৰিস্থিতি জটিল হৈ পৰিছে। যমুনা নৈৰ বাঢ়নি পানীয়ে ডবকা আৰু যমুনামুখৰ কিছু অংশ পুনৰ বুৰাই পেলাইছে। বানৰ ফলত অঞ্চলটোৰ ৪ শতাধিক পৰিয়াল আবদ্ধ হৈ পৰিছে।

০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দুদিনীয়া ভ্ৰমণসূচীৰে আজি কাৰ্বি আংলং জিলাৰ সদৰ ডিফুত উপস্থিত হ'ব। প্ৰথমবাৰৰ বাবে পাহাৰীয়া জিলাখন ভ্ৰমণৰ কাৰ্যসূচী লোৱা ৰাজ্যাপালগৰাকীয়ে জিলাখনৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপি অতিথিশালাত কাৰ্বি আংলঙৰ সমাজসেৱী, বিশিষ্ট ব্যক্তি আৰু পদ্মশ্ৰী সন্মানেৰে সন্মানিতসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছতে তেওঁ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য আৰু বিভাগীয় মুৰব্বী বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব। কাইলৈ তেওঁ ডিফু চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগৰ লংনিত, মহংডিজুৱা আৰু মান্‌জাত জলজীৱন মিছন আৰু অন্যান্য উন্নয়নমূলক আঁচনি ৰূপায়ণৰ বুজ ল'ব।

০০০০০০

অসমীয়া সংগীত জগতৰ অন্যতম পুৰোধা প্ৰভাত শৰ্মাৰ ওপজা দিন উপলক্ষে আজি সংগীত শিল্পীগৰাকীৰ সোঁৱৰণত মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত প্ৰভাতী পৰশ শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক অনুষ্ঠান দেৱগান্ধাৰৰ উদ্যোগত আৰু ইনলী ফাউণ্ডেশ্যনৰ সহযোগত আয়োজিত এই অনুষ্ঠানত অসমীয়া লোক কলাৰ লগতে ভূপেন্দ্ৰ নাথ হাজৰিকাৰ নাটক **আলাপ** পৰিৱেশন কৰা হ'ব। নাটকখনৰ পৰিচালনা ঝুনাকংকন ভূঞাৰ।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত শৃংখলাৰ তৃতীয়খন টেষ্ট আজি ল'ৰ্ডছত আৰম্ভ হ'ব। এণ্ডাৰচন-তেণ্ডুলকাৰ শৃংখলাত ভাৰত আৰু ইংলেণ্ডে উভয়ে এখনকৈ টেষ্ট মেচত জয়লাভ কৰিছে। তৃতীয় টেষ্টত ভাৰতৰ বেগী বলাৰ জছপ্ৰীত বুমৰাহৰ প্ৰত্যাৱৰ্তন ঘটাৰ সম্ভাৱনা আছে। দ্বিতীয় টেষ্টত খেলা ভাৰতীয় বলাৰ প্ৰসিদ্ধ কৃষ্ণা দলৰ পৰা বাদ পৰাৰ সম্ভাৱনা আছে। আনহাতে ইংলেণ্ডৰ বেগী বলাৰ জফ্ৰা আৰ্চাৰৰ কেইবাবছৰো বিৰতিৰ পাছত পুনৰ টেষ্টলৈ প্ৰত্যাৱৰ্তন ঘটাৰ সম্ভাৱনা আছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ শ্ৰমিক আৰু কৃষক বিৰোধী নীতি গ্ৰহণ কৰা বুলি অভিযোগ কৰি দেশৰ ১০টা শ্ৰমিক সংগঠনৰ উমৈহতীয়া মঞ্চই কালি আহ্বান জনোৱা ভাৰত বন্ধৰ সমগ্ৰ দেশজুৰি পৰা প্ৰভাৱৰ বাতৰিটো **অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় কৃতিত্ব জৰীপ ২০২৪ত প্ৰকাশ পোৱা তথ্য অনুসৰি ভাষা আৰু গণিত দুয়োটা বিষয়তে অসমৰ ছাত্ৰ-ছাত্ৰীৰ গড় প্ৰদৰ্শন সৰ্বভাৰতীয় গড়তকৈ ক্ৰমে ৩ শতাংশ আৰু এক শতাংশ কম। এই বাতৰিটো **দৈনিক অসম** কাকতে **শৈক্ষিক মূল্যায়নত ৰাষ্ট্ৰীয় গড়ৰ তলত অসম** শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নামিবিয়াৰ ৰাষ্ট্ৰপতিয়ে দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান কৰাৰ বাতৰিটোক **নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

গুৱাহাটীস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি মেঘালয়, অসম, অৰুণাচল প্ৰদেশ আৰু মণিপুৰত এই বছৰ স্বাভাৱিতকৈ কম বৰষুণ হোৱাৰ বাতৰিটোক **দা ছেণ্টিনেল** কাকতে **DEFICIENT RAINFALL IN 4 NE STATES** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত গুৰুতৰ ৰূপ ধাৰণ কৰা হাতী-মানুহৰ সংঘাতৰ ফলত বিগত ২৩ বছৰত প্ৰায় এহেজাৰ ৪৬৮ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে ৬২৬টা বন্যহস্তীৰ মৃত্যু হৈছে। এই বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

বড়োলেণ্ড স্বায়ত্তশাসিত অঞ্চলৰ পাঁচদিনীয়া ভ্ৰমণ সামৰি কালি চিৰাঙত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২০২৬ চনৰ মাৰ্চ এপ্ৰিলত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰাৰ বাতৰিটোক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিত স্থান দিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত